**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ উত্তৰপ্ৰদেশৰ অযোধ্যাৰ ৰামজনমভূমি মন্দিৰ পৰিদৰ্শন কৰিব।

২। ন্যায়াধীশ সূৰ্য কান্তে আজি দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে।

৩। অসম বিধানসভাৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ’ব।

৪। আজি লাচিত দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লাচিত দিৱস উপলক্ষে অসমৰ জাতীয় বীৰগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

আৰু

৫। ৰাজস্থানত আজি পঞ্চম খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় ক্ৰীড়া মহোৎসৱ আৰম্ভ হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ উত্তৰপ্ৰদেশৰ অযোধ্যাৰ ৰামজনমভূমি মন্দিৰ পৰিদৰ্শন কৰিব। তেওঁ মহৰ্ষি বশিষ্ঠ, মহৰ্ষি বিশ্বামিত্ৰ, মহৰ্ষি অগ্যস্ত, মহৰ্ষি বাল্মিকী, দেৱী অহল্যা, নিষধৰাজ গুহা আৰু মাতা শবৰীৰ মন্দিৰ থকা সপ্তমন্দিৰ স্থানো দৰ্শন কৰিব। তাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে শেষঅৱতাৰ মন্দিৰলৈ যাব।

প্ৰধানমন্ত্ৰীয়ে মাতা অন্নপূৰ্ণা মন্দিৰ দৰ্শন কৰিব আৰু ইয়াৰ পাছত ৰামদৰবাৰ গৰ্ভগৃহত পূজা অৰ্চনা কৰিব। ইয়াৰ পাছতে তেওঁ ৰামলালা গৰ্ভগৃহ দৰ্শন কৰিব। শ্ৰীমোডীয়ে অযোধ্যাৰ শ্ৰীৰামজনমভূমি মন্দিৰৰ চূড়াত গেৰুৱা পতাকা উত্তোলন কৰিব। তাত তেওঁ এই ঐতিহাসিক মুহূৰ্তৰ লগত সংগতি ৰাখি আয়োজন কৰা এখন সভাত অংশগ্ৰহণ কৰিব।

ৰামমন্দিৰৰ চূড়াত উত্তোলন কৰিবলগীয়া পতাকাখনৰ উচ্চতা ১০ ফুট আৰু বহলে ২০ফুট। এই পবিত্ৰ পতাকাই ৰামৰাজ্যৰ আদৰ্শ, একতা, ভাতৃত্ববোধ আৰু সাংস্কৃতিক ধাৰাবাহিকতাৰ বাৰ্তা বহন কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ উত্তৰপ্ৰদেশৰ অযোধ্যাৰ ৰামজনমভূমি মন্দিৰ পৰিদৰ্শন কৰিব। তেওঁ মহৰ্ষি বশিষ্ঠ, মহৰ্ষি বিশ্বামিত্ৰ, মহৰ্ষি অগ্যস্ত, মহৰ্ষি বাল্মিকী, দেৱী অহল্যা, নিষধৰাজ গুহা আৰু মাতা শবৰীৰ মন্দিৰ থকা সপ্তমন্দিৰ স্থানো দৰ্শন কৰিব। তাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে শেষঅৱতাৰ মন্দিৰলৈ যাব।

প্ৰধানমন্ত্ৰীয়ে মাতা অন্নপূৰ্ণা মন্দিৰ দৰ্শন কৰিব আৰু ইয়াৰ পাছত ৰামদৰবাৰ গৰ্ভগৃহত পূজা অৰ্চনা কৰিব। ইয়াৰ পাছতে তেওঁ ৰামলালা গৰ্ভগৃহ দৰ্শন কৰিব। শ্ৰীমোডীয়ে অযোধ্যাৰ শ্ৰীৰামজনমভূমি মন্দিৰৰ চূড়াত গেৰুৱা পতাকা উত্তোলন কৰিব। তাত তেওঁ এই ঐতিহাসিক মুহূৰ্তৰ লগত সংগতি ৰাখি আয়োজন কৰা এখন সভাত অংশগ্ৰহণ কৰিব।

ৰামমন্দিৰৰ চূড়াত উত্তোলন কৰিবলগীয়া পতাকাখনৰ উচ্চতা ১০ ফুট আৰু বহলে ২০ফুট। এই পবিত্ৰ পতাকাই ৰামৰাজ্যৰ আদৰ্শ, একতা, ভাতৃত্ববোধ আৰু সাংস্কৃতিক ধাৰাবাহিকতাৰ বাৰ্তা বহন কৰিব।

০০০০০০০

ন্যায়াধীশ সূৰ্য কান্তে আজি দেশৰ ৫৩ সংখ্যক মুখ্য ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱাব। ন্যায়াধীশ বি আৰ গাভাইৰ কাৰ্যকাল কালি সামৰণি পৰাৰ পাছত ন্যায়াধীশ সূৰ্য কান্তে দায়িত্বভাৰ গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ লগতে ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুখ্য ন্যায়াধীশগৰাকীয়ে প্ৰায় ১৫ মাহ কাৰ্যনিৰ্বাহ কৰিব আৰু ২০২৭ চনৰ ৯ ফেব্ৰুৱাৰীত তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব। যোৱা ৩০ অক্টোবৰত ন্যায়াধীশ কান্তক দেশৰ পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল।

০০০০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। এই উপলক্ষে কালি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকাই চৰকাৰী পক্ষৰ হৈ অংশ লয়। বৈঠকত শাসক-বিৰোধীয়ে কেইবাটাও বিষয়ত আলোকপাত কৰে।  এইবাৰৰ শীতকালীন অধিৱেশনত উত্থাপনৰ বাবে ১০খন বিধেয়ক  তালিকাভুক্ত হৈছে।

অহা ২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। কাইলৈ বিগত অধিৱেশনৰ পৰৱৰ্তী কালত দেহাৱসান ঘটা প্ৰাক্তন সদস্য আৰু ৰাজ্য তথা দেশৰ বিশিষ্ট ব্যক্তিসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰা হ'ব। লগতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শীতকালীন অধিৱেশনৰ বাবে কাৰ্যসূচী উপদেষ্টা সমিতিৰ প্ৰতিবেদন দাখিল কৰিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰসংগ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা বিধানসভাত আজিৰ দিনটো প্ৰচাৰ কৰিব।

০০০০০০০০

আজি লাচিত দিৱস। শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে পৰাক্ৰমেৰে যুঁজি অসম আৰু অসমীয়া জাতিক ৰক্ষা কৰা বীৰ লাচিত বৰফুকনক সুঁৱৰি প্ৰতিবছৰে ২৪ নৱেম্বৰত তেওঁৰ জয়ন্তী লাচিত দিৱস হিচাপে পালন কৰা হয়। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লাচিত বৰফুকনৰ ৪০৩ সংখ্যক জয়ন্তীত ৰাজ্যবাসীক ওলগ জনাইছে। এই উপলক্ষে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত হোলোঙাপাৰৰ লাচিত মৈদামত কেন্দ্ৰীয়ভাৱে 'বীৰ লাচিত দিৱস'ৰ আয়োজন কৰা হৈছে।

০০০০০০০

অসমৰ আহোম শাসনকালৰ বীৰ লাচিত বৰফুকনক লাচিত দিৱসত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও শ্ৰদ্ধাঞ্জলি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোডীয়ে কয়, যে দেশে লাচিত বৰফুকনক অফুৰন্ত সাহস, দেশপ্ৰেম আৰু প্ৰকৃত নেতৃত্বৰ বাবে মনত ৰাখিব। তেওঁ কয়, যে তেওঁৰ বীৰত্বই প্ৰজন্মৰ

পাছত প্ৰজন্মক প্ৰেৰণা যোগাই আহিছে। অসমৰ সাংস্কৃতিক ঐতিহ্যক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত লাচিত বৰফুকনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আহোম সেনাপতি লাচিত বৰফুকনলৈ তেওঁৰ জয়ন্তী শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। শ্ৰীশ্বাহে কয়, যে লাচিত বৰফুকনৰ অপৰিসীম দেশভক্তি,শৌৰ্য-বীৰ্য আৰু অদম্য সামৰিক নেতৃত্বই কেৱল অসমকে নহয়, বৰং সমগ্ৰ উত্তৰপূবক মোগলৰ আগ্ৰাসনৰ পৰা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰ জৰিয়তে অঞ্চলটোৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্যও সুৰক্ষিত হৈছিল বুলি উল্লেখ কৰি সামাজিক মাধ্যমৰ বাৰ্তাত গৃহমন্ত্ৰী শ্বাহে কয়, যে লাচিত বৰফুকনৰ জীৱন চিৰদিনৰ বাবে দেশভক্তিৰ অনন্য প্ৰেৰণা হৈ ৰ'ব।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে নতুন দিল্লীত আজি ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় কৃষি বিজ্ঞান সন্মিলন ২০২৫ উদ্বোধন কৰে। নিজৰ ভাষণত শ্ৰীসিঙে দেশৰ ভৱিষ্যত সুৰক্ষাৰ বাবে ধৰিত্ৰীক সুৰক্ষিত ৰখাৰ প্ৰয়োজনৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে ভাৰতৰ বসুধৈব কুটুম্বকম বাণীৰ প্ৰতি বিজ্ঞানীসকলৰ দৃষ্টি আকৰ্ষণ কৰে। তেওঁ কয়, যে ভাৰতবৰ্ষত পৌৰাণিক কালৰে পৰা মানুহৰ লগত সকলো জীৱৰ অস্তিত্ব আৰু অধিকাৰৰ প্ৰতি সজাগ মনোভাৱ আছে। তেওঁ লগতে কৃষি ক্ষেত্ৰত আধুনিকীকৰণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। উল্লেখযোগ্য যে, তিনিদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত বিভিন্ন কাৰ্যসূচীৰ লগতে প্ৰদৰ্শনী আৰু যুৱ বিজ্ঞানী তথা শিক্ষাৰ্থী সমাৰোহৰো আয়োজন কৰা হৈছে। এই সন্মিলনৰ এহেজাৰতকৈ অধিক বিশ্বৰ প্ৰতিনিধি সাক্ষী হোৱাৰ লগতে বিশ্বমানৰ বৈজ্ঞানিক আলাপ-আলোচনাৰ এখন মঞ্চ হিচাপে সেৱা আগবঢ়াব বুলি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে। এই সন্মিলনত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰাৰ লগতে কৃষি বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্য, আই চি এ আৰৰ উপ-সঞ্চালকপ্ৰধান, ঔদ্যোগিক প্ৰতিনিধি আৰু আগশাৰীৰ কৃষি ব্যৱসায়িক উদ্ভাৱকসকলেও অংশগ্ৰহণ কৰিছে।। এই বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় কৃষি বিজ্ঞান সন্মিলন ২০২৫ বিষয়বস্তু হৈছে-পৰিবেশৰ সুৰক্ষা আৰু আধুনিক কৃষি খাদ্য ব্যৱস্থা গঢ়ি তোলাৰ বাবে কৃষি বিজ্ঞানৰ পুনৰীক্ষণ। অধিক উৎপাদনক্ষম, জলবায়ু অনুকুল, বহনক্ষম পৰিৱেশ তন্ত্ৰ আৰু সুষম খাদ্য সুৰক্ষা আদি বিষয়সমূহ এই সন্মিলনত আলোকপাত কৰা প্ৰয়াস কৰা হৈছে।

০০০০০০০০

বিশ্ব বক্সিং কাপ ফাইনেলত কৰা অনন্য প্ৰদৰ্শনৰ বাবে ভাৰতীয় খেলুৱৈসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতীয় খেলুৱৈসকলে অদম্য প্ৰতিভাৰে ৯টা সোণৰ পদককে ধৰি মুঠ ২০ পদক লাভ কৰিবলৈ সমৰ্থ হ'ল। এই অভিলেখ ভংগকাৰী প্ৰদৰ্শনেৰে দেশৰ বক্সিং খেলুৱৈসকলে দেশক গৌৰৱান্বিত কৰি তুলিলে বুলিও শ্ৰীমোডীয়ে উল্লেখ কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমবাৰৰ বাবে আয়োজিত দৃষ্টিহীন মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত জয়লাভ কৰি ইতিহাস গঢ়া ভাৰতৰ দৃষ্টিহীন মহিলা ক্ৰিকেট দলটোক অভিনন্দন জনাইছে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতীয় দলটোৱে সমগ্ৰ প্ৰতিযোগিতাখনত অপৰাজিত হৈ থাকি ইতিহাস গঢ়িলে। দৃষ্টিহীন মহিলাসকলৰ এই জয় কঠোৰ, পৰিশ্ৰম দলগত প্ৰদৰ্শন আৰু নিষ্ঠাৰ উজ্জ্বল উদাহৰণ বুলিও শ্ৰীমোডীয়ে উল্লেখ কৰে। এই কথাই ভৱিষ্যত প্ৰজন্মক প্ৰেৰণা যোগাব বুলি প্ৰকাশ কৰি তেওঁ বিজয় দলটোক প্ৰতিযোগিতাৰ প্ৰতিগৰাকী খেলুৱৈৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

oooooooo

ৰাষ্ট্ৰীয় মহিলা আয়োগে দেশৰ মহিলাসকলে সংকটকালৰ ততালিকে সহায় লাভ কৰাটো নিশ্চিত কৰিবলৈ ২৪ ঘণ্টাই উপলব্ধ এটা হেল্পলাইন নম্বৰ মুকলি কৰিছে। ১৪৪৯০ বিনামূলীয়া এই হেল্পলাইন নম্বৰটো আয়োগৰ সম্প্ৰতি ব্যৱহৃত হেল্পলাইনৰ সৈতে সংযুক্ত ছুটী কোড হিচাপে ব্যৱহৃত হ'ব। ইয়াৰ ফলত কোনো বিলম্ব নোহোৱাকৈ মহিলাসকলে সহায় লাভ কৰিব পাৰিব। নম্বৰটো ব্যৱহাৰৰ ফলত হিংসা, আতিশয্য আৰু যিকোনো নিৰ্যাতনৰ বলী হোৱা মহিলাক তাৎক্ষণিকভাৱে সকাহ দিয়াটো সম্ভৱ হ'ব।

oooooooo

ৰাজস্থানত আজি পঞ্চম খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় ক্ৰীড়া মহোৎসৱ আৰম্ভ হৈছে। এই মহোৎসৱত দেশৰ ২৩০খন বিশ্ববিদ্যালয়ৰ প্ৰায় ৫হাজাৰ শিক্ষাৰ্থী তথা খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এইবাৰ ২৩বিধ খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। লগতে খো খোৰ প্ৰদৰ্শনীমূলক খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাসমূহ ৰাজ্যখনৰ জয়পুৰ, উদয়পুৰ, যোধপুৰ, কোটা, আজমেৰ, ভৰতপুৰ আৰু বিকানেৰত আয়োজিত হ'ব। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত আজি সন্ধিয়া ৬বজাত উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ভজন লাল শৰ্মা, কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু ৰাজস্থানৰ ক্ৰীড়া মন্ত্ৰী কৰ্নেল ৰাজ্যবৰ্ধন সিং ৰাথোৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব। এই বছৰ খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় গেমছত কেন'য়িং, কায়াকিং, চাইক্লিং আৰু বীচ্চ ভলীবলক অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ সংবাদাদাতাই জনোৱা অনুসৰি উদ্বোধনী অনুষ্ঠান জাকজমকতাৰে অনুষ্ঠিত হ'ব। আৰক্ষী ব্ৰেণ্ডৰ বিশেষ অনুষ্ঠান আৰু ৰাজস্থানৰ কলা-সংস্কৃতিক প্ৰতিফলিত কৰা সাংস্কৃতিক অনুষ্ঠানেৰে উদ্বোধনী অনুষ্ঠান আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিশেষ বাৰ্তাও পাঠ কৰি দিয়া হ'ব। এইবাৰৰ প্ৰতিযোগিতালৈ পঞ্জাবে সৰ্ববৃহৎ দল প্ৰেৰণ কৰিছে। বেডমিণ্টন, হকী, শুটিঙকে ধৰি আন কেইবাটাও ইভেণ্টৰ প্ৰতিযোগিতা আজি পুৱাৰে পৰা অনুষ্ঠিত হৈছে। ৰাজস্থানে প্ৰথমবাৰৰ বাবে খেলো ইণ্ডিয়া বিশ্ববিদ্যালয় ক্ৰীড়া মহোৎসৱৰ আয়োজন কৰিছে।

ooooooo

সমাপ্ত